**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 18-03-2025 **Time :** 1715 Hrs.

***Assamese Evening Bulletin***

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি শিলচৰৰ এছ এন দেৱ অসামৰিক চিকিৎসালয়ত নতুন ক্ৰিটিকেল কেয়াৰ ভৱনৰ আধাৰশিলা স্থাপন কৰে। চিকিৎসালয়খনৰ ছহেজাৰ ৩৩৫ বৰ্গমিটাৰ এলেকা সামৰি ২৪ কোটি টকা ব্যয়সাপেক্ষে এই ৫০খন বিছনাযুক্ত ক্ৰিটিকেল কেয়াৰ ভৱনটো নিৰ্মাণ কৰা হ'ব। এই ভৱনত অস্ত্ৰোপচাৰ কক্ষ, ডায়েলেছিছ কক্ষ, শিশু চিকিৎসা কক্ষকে ধৰি উন্নত মানৰ সকলো সা-সুবিধা থাকিব। মুখ্যমন্ত্ৰীয়ে এই ভৱনৰ আধাৰশিলা স্থাপন কৰি শিলচৰত ২০০খন বিছনাযুক্ত নতুন চিকিৎসালয় ভৱন নিৰ্মাণৰ পৰিকল্পনাৰ কথা জানিবলৈ দিয়ে। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে শিলচৰৰ সংহত জিলা আয়ুক্ত কাৰ্যালয়ত ২৬ কোটি টকা ব্যয়সাপেক্ষে ৩২টা কোঠাৰে নতুন আৱৰ্ত্ত ভৱনৰ আধাৰশিলাও স্থাপন কৰে। ড° শৰ্মাই যান-জঁটৰ সমস্যা লাঘৱ কৰিবলৈ শিলচৰত এখন উৰণ সেঁতু নিৰ্মাণ কৰা হ'ব বুলি প্ৰকাশ কৰে।

মুখ্যমন্ত্ৰীগৰাকীয়ে ইয়াৰ পূৰ্বে শিলচৰৰ দেশভক্ত তৰুণৰাম ফুকন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সোণালী জয়ন্তীৰ অনুষ্ঠানত অংশগ্ৰহণ কৰে। তেওঁ বিদ্যালয়খনৰ বৰ্তমান আৰু পূৰ্বৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰীকে ধৰি অঞ্চলটোৰ বিদ্যানুৰাগী লোকসকলক অভিনন্দন জনোৱাৰ লগতে দেশভক্ত তৰুণৰাম ফুকনৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰে। ড০ শৰ্মাই তেওঁৰ ভাষণত কয় যে সাম্প্ৰতিক অৰ্থনীতিত দক্ষ যুৱ শক্তিৰ গুৰুত্বৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্য চৰকাৰে আৰম্ভণিৰে পৰা পৰিৱৰ্তিত ঔদ্যোগিক পৰিস্থিতিৰ সৈতে খাপ খোৱাকৈ দক্ষতা বিকাশ আৰু প্ৰশিক্ষণ প্ৰদানৰ ক্ষেত্ৰত পদক্ষেপ গ্ৰহণ কৰি আহিছে। ডিজিটেল প্ৰযুক্তিৰ গুৰুত্বৰ কথা উল্লেখ কৰি তেওঁ কৃত্ৰিম বুদ্ধিমত্তা, ঔদ্যোগিক ইণ্টাৰনেট, থ্ৰী-ডি প্ৰিণ্টিং, বৈদ্যুতিক বাহনৰ প্ৰযুক্তি আদি পাঠ্যক্ৰমৰ বাবে ছাত্ৰ-ছাত্ৰীসকলক যোগ্য কৰি তোলা হ'ব বুলি উল্লেখ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ মৰ্যদা লাভ কৰাৰ পাছত অসমীয়া আৰু বাংলা ভাষা-ভাষী লোকৰ মাজৰ বান্ধোন অধিক শক্তিশালী হৈ উঠিছে। এই সমন্বয়ৰ পৰিবেশক সুদৃঢ় ৰূপত আগবঢ়াই নিয়াৰ বাবে তেওঁ বৰাক উপত্যকাত অসম সাহিত্য সভাৰ অধিবেশন আয়োজন কৰাৰ বাবে উদ্যোগ ল'বলৈ বৰাকৰ জনসাধাৰণক আহ্বান জনায়।

ড° শৰ্মাই আজি শিলচৰৰ ৰামকৃষ্ণ মিছন সেৱাশ্ৰমৰ শতবাৰ্ষিকী উদযাপন কাৰ্যসূচীত অংশ লৈ শ্ৰীৰামকৃষ্ণ পৰমহংস দেৱৰ নৱনিৰ্মিত সাৰ্বজনীন মন্দিৰ উদ্বোধন কৰে। ৰাজ্য চৰকাৰে ৰামকৃষ্ণ মিছন সেৱাশ্ৰম চিকিৎসালয়ৰ অংশ মা সাৰদা চেৰিটেবল ডিচ্‌পেন্সৰীক ৫ কোটি টকা প্ৰদান কৰাৰ উপৰি ৰামকৃষ্ণ পৰমহংসৰ মন্দিৰ নিৰ্মাণৰ বাবে বকেয়া ঋণ নিস্পত্তি কৰিবলৈ ৪ কোটি টকা আবণ্টন দিব বুলি মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে। মুখ্যমন্ত্ৰী শৰ্মাক আজি বিভিন্ন কাৰ্যসূচীত গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা, খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী কৌশিক ৰায়, শিলচৰ লোকসভা সমষ্টিৰ সাংসদ পৰিমল শুক্লবৈদ্য, বিধায়ক দিপায়ন চক্ৰৱৰ্ত্তী আৰু লোক নিৰ্মাণ বিভাগৰ মন্ত্ৰী কৃষ্ণেন্দু পালে সংগ দিয়ে।

০০০০০০০

রাজ্যসভাৰ সাংসদ অজিত কুমাৰ ভূঞাই অসমত ৰে'ল বিভাগৰ কাম-কাজ আশানুৰূপ হোৱা নাই বুলি ৰে'ল বিভাগৰ সমালোচনা কৰিছে। কালি ৰাজ্যসভাত ৰে'ল মন্ত্ৰণালয় সম্পৰ্কীয় বিতৰ্কত ভাগ লৈ সাংসদ ভূঞাই কয়, যে গুৱাহাটীৰ পৰা ডিব্ৰুগড়লৈ প্ৰায় ৫০০ কিলোমিটাৰ দূৰত্ব অতিক্ৰম কৰিবলৈ আনকি এক্সপ্ৰেছ শ্ৰেণীৰ ৰে'লগাড়ীৰো ১২ ঘণ্টা সময় লাগে। তেওঁ কয়, যে অসমত ৰে'লপথৰ বৈদ্যুতিকীকৰণৰ কাম এতিয়াও সম্পূৰ্ণ হোৱা নাই। তদুপৰি অসমত দ্বৈত ৰে'লপথৰ নিৰ্মাণৰ ক্ষেত্ৰতো ৰে'ল মন্ত্ৰণালয়ে নিৰ্ধাৰিত সময় অনুসৰি কাম কৰিব পৰা নাই। উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ তুলনাত বহু নতুন ৰে'ল মণ্ডলক অধিক গুৰুত্ব দিয়া আৰু এন এফ ৰে'লৱেক মাহী আইৰ দৃষ্টিৰে চোৱা হয় বুলিও সাংসদগৰাকীয়ে অভিযোগ কৰে।

ooooooo

অসম প্ৰদেশ বিজেপিৰ সভাপতি তথা সাংসদ দিলীপ শইকীয়াই ক'ভিডৰ সময়ছোৱাত প্ৰত্যাহাৰ কৰা ৰে'ল ষ্টেচনসমূহত পুনৰ ৰে'লগাড়ী ৰখোৱাৰ ব্যৱস্থা কৰিবলৈ আহ্বান জনাইছে। লোকসভাত ৰে'ল মন্ত্ৰণালয় সম্পৰ্কত হোৱা বিতৰ্কত অংশগ্ৰহণ কৰি শইকীয়াই কয়, যে খৈৰাবাৰী, গোৰেশ্বৰ, টংলা, ওদালগুৰি আৰু ডেকাৰগাঁও আদি ষ্টেচনত পূৰ্বে ৰখোৱা ভালেকেইখন ৰে'লগাড়ী ক'ভিড কালত এই ষ্টেচনসমূহত নৰখোৱাৰ সিদ্ধান্ত লোৱা হৈছিল। ৰে'লযাত্ৰীসকলৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই এইসমূহ ষ্টেচনত পুনৰ ৰে'লগাড়ী ৰখোৱাৰ ব্যৱস্থা কৰিব লাগে বুলি তেওঁ মত প্ৰকাশ কৰে। গুৱাহাটীৰ পৰা ৰঙিয়া আৰু ওদালগুৰি হৈ ডিব্ৰুগড়লৈ বন্দে ভাৰত এক্সপ্ৰেছ ৰে'লগাড়ী প্ৰৱৰ্তন কৰিবলৈ আৰু গুৱাহাটী আৰু ওড়িশাৰ জগদলপুৰৰ মাজত নতুন ৰে'লগাড়ী প্ৰৱৰ্তন কৰিবলৈ সাংসদগৰাকীয়ে আহ্বান জনায়। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ নামত গুৱাহাটী আৰু দিল্লীৰ মাজত আৰু মহাপুৰুষ মাধৱদেৱৰ নামত গুৱাহাটী আৰু চেন্নাইৰ মাজত চলাচল কৰা ৰে'লগাড়ীৰ নামকৰণ কৰিবলৈকো দৰং-ওদালগুৰিৰ সাংসদগৰাকীয়ে আহ্বান জনায়।

ooooooo

ৰাজ্যৰ বিভিন্ন জিলাত আজি সদৌ অসম ছাত্ৰ সন্থা আৰু অসম উন্নতি সভাৰ আহ্বান মৰ্মে মাদক দ্ৰব্য বিৰোধী সজাগতা কাৰ্যসূচী অনুষ্ঠিত হয়। ৰাজ্যখনত মাদকদ্ৰব্য মুক্ত কৰাৰ লক্ষ্যৰে আজি **কামৰূপ মহানগৰ জিলা** ছাত্ৰ সন্থা, কামৰূপ মহানগৰ জিলা উন্নতি সভা আৰু অসম সেনাৰ কামৰূপ মহানগৰ জিলা সমিতিৰ উদ্যোগত উজান বজাৰৰ ছহিদ ন্যাস ভৱনৰ পৰা এটা সজাগতা সমদল উলিওৱা হয়। এই সমদলত অসম উন্নতি সভাৰ সভাপতি ডঃ সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য আৰু সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মাই অংশ লৈ অসমলৈ ড্ৰাগছ সৰবৰাহৰ উৎস নিৰ্মূল কৰিব লাগিব বুলি মন্তব্য কৰে। **দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ** হাটশিঙিমাৰীত আজি সদৌ অসম ছাত্ৰ সন্থাই মাদক দ্ৰব্য বিৰোধী সজাগতা সমদল উলিয়ায়। হাটশিঙিমাৰী মহাবিদ্যালয়ৰ পৰা উলিওৱা এই সমদলত কেইবাখনো বিদ্যালয়-মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। **গোৱালপাৰা জিলা**তো আজি মাদকদ্ৰব্য বিৰোধী সজাগতা কাৰ্যসূচী অনুষ্ঠিত হয়। এই উপলক্ষে গোৱালপাৰা মহাবিদ্যালয় খেল-পথাৰৰ পৰা সজাগতামূলক শোভাযাত্ৰা উলিওৱা হয়।

ooooooo

**সমাপ্ত**